সুযোগ নোপোৱাত হেমাংগ কৰ্মচাৰীজনৰ পিছে পিছে আহি থাকিল। কাৰ্যালয়ৰ নাতিদূৰতে চিকিৎসালয়। তেনেই এটা সাধাৰণ ঘৰ। ডাক্তৰৰ সৈতে এগৰাকী নাৰ্ছ আৰু এজন কম্পাউণ্ডাৰ। নামত চিকিৎসালয়। বিশেষ একো সুবিধা নাই। কৰ্মচাৰীজনৰ পৰা কাগজখন লৈ ডাক্তৰে পাঁচ মিনিটমান সময় হেমাংগৰ স্বাস্থ্য পৰীক্ষা কৰিলে। মধ্যবয়সীয়া ডাক্তৰজনৰ মুখৰ পৰা এটা শব্দও নোলাল। কাগজখনত চহী কৰি কৰ্মচাৰীজনক ওভতাই দিলে। হেমাংগক কুঠৰি এৰি আহিবলৈ কৈ কৰ্মচাৰীজন আঁতৰি গ'ল। হেমাংগই বুজিলে এটা 'ফৰ্মেলিটি'ৰ বাহিৰে এয়া একো নহয়। পোনে পোনে হেমাংগ বি ডিভিজনলৈ আহিল। চলিহা সেই সময়ত কুঠৰিত আন দুজনমানৰ সৈতে কথা পাতি আছিল। হেমাংগ সোমাই আহি ক'লে—"মই আপোনালোকৰ পৰা বিদায় ল'বলৈ আহিলোঁ। এতিয়াই যাব লাগিব।"

"ক'লৈ?"—চলিহাই আচৰিত হৈ সুধিলে।

"গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰলৈ।"

"ইমান হঠাতে কিয়?"

"হয়তো মই ইয়াত থকাটো তেওঁলোকৰ বাবে নিৰাপদ নহয়। জানেই নহয় সুৰমা উপত্যকাৰ মানুহ। তদুপৰি মই আগতে জে'ললৈ অহাৰো ৰেকৰ্ড আছে। বাৰু মই আহোঁ। পাছত কেতিয়াবা আকৌ দেখা হ'ব।"

হেমাংগ সকলোৰে পৰা বিদায় লৈ ওলাই আহিল। চলিহাহঁতে কাৰ্যালয়ৰ ওচৰলৈকে হেমাংগক আগবঢ়াই দিলে। মূল প্ৰৱেশদ্বাৰৰ ওচৰতে গাড়ী সাজু হৈয়ে আছিল। দুজনমান আৰক্ষীয়ে ধৰি আনি হেমাংগক গাড়ীত বহুৱাই দিলে। গুৱাহাটী অভিমুখে গাড়ী আগবাঢ়িল। তেতিয়াও বেলিটো ডাৱৰে আৱৰি থকা বাবে হেমাংগই সময়টো সঠিকভাৱে অনুমান কৰিব নোৱাৰিলে।

নগাঁও পাৰ হৈ গাড়ী ৰহা পালেহি। আৰক্ষীৰ কথাৰ পৰাই হেমাংগই জানিলে। ঠাইবোৰ হেমাংগৰ তেনেই অচিনাকি। গুৱাহাটী কাৰাগাৰৰ সম্পৰ্কেও কোনো ধাৰণা নাই। সেয়ে হেমাংগই কাষতে বহি অহা আৰক্ষী এজনক সুধিলে—"গুৱাহাটী পাবলৈ কিমান সময় লাগিব।"

"দুই-তিনি ঘণ্টা।"—আৰক্ষীজনে চমু উত্তৰ দিলে। কাৰাগাৰৰ বন্দী এজনৰ সৈতে যে তেওঁৰ বেছি থকা পতাৰ আগ্ৰহ নাই সেই কথা হেমাংগই নুবুজাকৈ নাথাকিল। হেমাংগই আৰু কথা আগবঢ়াব নুখুজিলে।

গাড়ী তীব্ৰ গতিৰে আগবাঢ়িছে। ভিতৰলৈ সোমাই অহা চেঁচা বতাহে হেমাংগৰ কাহটো বঢ়াইছে। বাৰে বাৰে কাহটো আহি থকা বাবে অসুবিধা পাইছে। কিন্তু এইবোৰ অসুবিধাৰ বাবে চকু-কাণ দিবলৈ পহৰাদাৰী আৰক্ষীৰ কোনো প্ৰয়োজন নাই। সিহঁতৰ বাবে সি মাথোন এজন কয়দী। সোঁশৰীৰে কয়দীক কাৰাগাৰৰ চৌহদ পোৱাই দিয়াটোৱেই সিহঁতৰ নিৰ্ধাৰিত দায়িত্ব। বিদেশী চৰকাৰৰ পৰাধীন দেশীয় গোলাম, 'গৱৰ্নমেণ্ট ছাৰ্ভেণ্ট'। মাহেকৰ মূৰত পোৱা কেইটামান টকাৰ বিনিময়ত চৰকাৰৰ সেৱা কৰিছে। কিন্তু এয়া দেশৰ সেৱা নহয়। দেশৰ সেৱা কৰা হ'লে মুক্তি সেনানীৰ ওপৰত নিৰ্মম অত্যাচাৰ নচলালেহেঁতেন! শ শ লোকক কাৰাগাৰত বন্দী কৰি নাৰাখিলেহেঁতেন! কাৰাগাৰৰ ভিতৰত অনশন কৰি যতীন দাসে মৃত্যুবৰণ কৰিবলগীয়া নহ'লহেঁতেন! এয়াই শাসন নীতি। সাধাৰণ চিপাহীয়ে কৰিবই বা কি? সিহঁত আজ্ঞাবাহী পুতলা, গোলাম। যি কৰিবলৈ কয়, যেনেদৰে নাচিবলৈ কয় তেনেদৰে নাচিব। যাৰ আঙুলিৰ ঠাৰত নাচিছে, যি নচুৱাইছে সিহঁতহে প্ৰকৃত শত্ৰু। বিদেশী চৰকাৰৰ প্ৰতি তীব্ৰ ঘৃণাৰ ভাব হেমাংগৰ মনত জাগি উঠিল।

গাড়ী যোৰাবাটৰ পাহাৰৰ অকোৰা-পকোৰা পথেদি আগবাঢ়িছে। গতিৰ সৈতে তাল মিলাই ৰাখিবলৈ শৰীৰবোৰেও দোলা দিবলৈ আৰম্ভ কৰিছে। কোনোবা মুহূৰ্তত ইজনে-সিজনৰ দেহত ভেজা দি ভাৰসাম্য ৰক্ষা কৰিবলগীয়া হৈছে। কলত ঢোকা, ঢোকাতেই কলৰ দৰে হৈছে। চিপাহীহঁতো সস্তম হৈ পৰিছে।

কিছু সময়ৰ পাছত পাহাৰীয়া পথ অতিক্ৰম কৰি গাড়ী পুনৰ স্বাভাৱিক গতিৰে আগবাঢ়িছে। বাট-পথত দুই-এখন যানবাহন আৰু মানুহৰ ভিৰ চকুত পৰিছে। পথৰ দাঁতিত অ'ত-ত'ত টিনৰ ঘৰ। মাজে মাজে দোকান-বজাৰ। গুৱাহাটী নগৰত প্ৰৱেশ কৰিলে বুলি হেমাংগৰ অনুমান হ'ল। হয়তো কাৰাগাৰ পাবলৈ আৰু বেছি সময় নালাগিব।

আবেলিৰ সময়। কেন্দ্ৰীয় কাৰাগাৰৰ প্ৰকাণ্ড লোহাৰ গে'টৰ সন্মুখত গাড়ী ৰ'লহি। দুৱাৰ খুলি চিপাহীয়ে হেমাংগক নমাই আনিলে। একে থিৰে বহি অহা বাবে ভৰি-হাতত টনটননি ধৰিছিল। চিপাহী দুটাই ধৰি হেমাংগক ভিতৰলৈ লৈ গ'ল। কাগজ-পত্ৰৰ কামবোৰ কৰোঁতে কাৰ্যালয়ত কিছুসময় অপেক্ষা কৰিবলগীয়া হ'ল। তাৰ পাছত ৱাৰ্ডাৰে হেমাংগক নিৰ্দিষ্ট কোঠালৈ লৈ আহিল।

ওখ, পকী বেৰেৰে বেষ্টিত এটা বিশাল চৌহদ। নগাঁৱৰ কাৰাগাৰতকৈ আয়তনত ডাঙৰ। কিন্তু পৰিৱেশ প্ৰায় একেই। অৱশ্যে বৰ ডাঙৰ গছ-গছনি নাই। সৰু সৰু ফল-মূলৰ গছ আৰু ফুলনিয়ে শুৱনি কৰি ৰাখিছে। কয়দীৰ সংখ্যাও সৰহ। কুঠৰিত সোমোৱাৰ সময় নোহোৱা বাবে বাহিৰত কয়দীবোৰে ইফাল-সিফালকৈ ঘূৰি ফুৰিছে। কোনোবা হয়তো কথা পতাত ব্যস্ত।

হেমাংগৰ পৰিৱেশটো বেয়া নালাগিল। ৱাৰ্ডাৰে দেখুৱাই থৈ যোৱা কুঠৰিত সোমাই গাটো পোনাই ল'লে। এগিলাচ গৰম পানীৰ অভাৱ হেমাংগই বাৰুকৈয়ে অনুভৱ কৰিলে। কিন্তু কাৰাগাৰত সেই বিলাসিতা কৰিব নোৱাৰে। এইখনতো মিৰাশী গাঁৱৰ নিজৰ ঘৰ নহয়। ঘৰৰ বাহিৰৰ পানী খোৱাৰ কথা দেউতাকে ভাবিবই পৰা নাছিল। কেতিয়াবা দূৰৰ কোনোবা গাঁৱলৈ নিমন্ত্ৰণ এৰাব নোৱাৰি যাবলগীয়া হ'লে দেউতাকে লগত এজন মানুহ সদায় পঠাই দিছিল যি এটা কলহত ঘৰৰ পৰা পানী লৈ যাব লাগিছিল। কিন্তু এতিয়া? নাই, সেইবোৰ ভাবি লাভ নাই। ভোকত কলমলনিও লাগিছে। সন্ধিয়া 'মাথা গন্তি' কৰাৰ আগতে কোনো কাৰণতে যে খাবলৈ নাপায় সেই কথা হেমাংগই জানে। সেয়ে হেমাংগই বৰ কষ্টেৰে সেইখিনি সময়লৈ বাট চাই ৰ'ল।

গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰৰ আলহী হৈ হেমাংগই প্ৰথমটো নিশা অতিবাহিত কৰিলে। পাতলীয়া ঠাণ্ডা পৰিছে। দেহৰ ভাগৰ থকা সত্বেও টোপনি বৰ ভাল নহ'ল। কাহটোৱেও বাৰুকৈও অসুবিধা দিছিল। ৰাতিপুৱাৰ ভাগত চিকিৎসালয় খোলাৰ লগে লগেই হেমাংগই জে'ল ছুপাৰ আইৰিছ ডাক্তৰ ডোনালিক দেখুৱালে। ডোনালিয়ে এটা ছিৰাপ আৰু দুটামান টেবলেট লিখি দিলে। কম্পাউণ্ডাৰজনৰ পৰা ঔষধ আৰু ছিৰাপৰ বটলটো লৈ উভতি আহিল। সেইদিনা হেমাংগ কুঠৰিতে সোমাই থাকিল। ইতিমধ্যে সহবন্দীসকলৰ সৈতে সামান্য পৰিচয় হৈছে।

আবেলি বাহিৰত ঘূৰি ফুৰোঁতে এটা কুঠৰিত অসমীয়া গীত গাই থকা শুনি হেমাংগ ওচৰ চাপি গ'ল। কুঠৰিটোতে তিনি-চাৰিজনমান ডেকাই গানৰ 'আসৰ' বহুৱাইছিল। হেমাংগই দুৱাৰমুখলৈ গৈ সোমাবলৈ অনুমতি বিচৰাত গান বন্ধ কৰি এজনে ক'লে—"আহক, সোমাই আহক। মোৰ নাম ৰবীন কাকতি। আমি সকলো স্বাধীনতা সেনানী। আপুনি বোধকৰোঁ নতুনকৈ আহিছে?"

"হয়, ময়ো স্বাধীনতা সেনানী। নগাঁও কাৰাগাৰৰ পৰা কালি ইয়ালৈ আনিলে। ঘৰ চিলেটত।"

"ভালেই হ'ল দিয়ক। আমি এজন নতুন সহযোদ্ধা পালোঁ। আবেলিৰ পৰা সন্ধিয়ালৈকে আমাৰ ইয়াতে গান আৰু কবিতাৰ 'আসৰ' বহে। ইচ্ছা কৰিলে আপুনিও আহিব। ভাল লাগিব। জানেই নহয় কাৰাগাৰৰ জীৱন আমনিদায়ক। বাহিৰৰ জগতৰ লগত যোগাযোগ প্ৰায় বিচ্ছিন্ন। সেয়া নিজৰ ভিতৰতে হাঁহি-তামাচা কৰি সময়বোৰ পাৰ কৰোঁ।"

"ভালেই কৰে। ময়ো সংগীত ভাল পাওঁ। সংগীত মোৰ প্ৰাণ বুলিও ক'ব পাৰে। নগাঁও কাৰাগাৰত থাকোঁতে বিমলা প্ৰসাদ চলিহাক লগ পাইছিলোঁ। একেলগে গান গাইছিলোঁ।"

"হয় নেকি? চলিহা আগশাৰীৰ কৰ্মী। অৱশ্যে গান গায় বুলি জনা